# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
**0000000000**

**Date : 16-06-2025**
**Time :** 19-10 hrs

ASSAMESE EVENING BULLETIN
**HEADLINES**
**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চাইপ্ৰাছৰ ৰাষ্ট্ৰপতি নিকোচ খ্ৰিষ্ট'ডৌলিদেচৰ সৈতে আজি প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত মিলিত হয়।

২। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে ভাৰত দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত অতি সোনকালে বিশ্বনেতাৰূপে উজলি উঠিব বুলি মন্তব্য কৰিছে।

৩। আহমেদাবাদৰ বিমান দুৰ্ঘটনাৰ তদন্তৰ বাবে গঠন কৰা উচ্চস্তৰীয় সমিতিৰ প্ৰথমখন বৈঠক আজি নতুন দিল্লীত অনুষ্ঠিত হয়।

৪। দিল্লী আৰক্ষীয়ে ভাৰতত অবৈধভাৱে বাস কৰা ৩৬ জন বাংলাদেশী নাগৰিকক গ্ৰেপ্তাৰ কৰিছে। ***আৰু***

৫। আন্তৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদে আজি ২০২৫ বৰ্ষৰ আই চি চি মহিলা এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ সম্পূৰ্ণ সূচী ঘোষণা কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে ভাৰত -চাইপ্ৰাছ অংশীদাৰিত্ব গণতান্ত্ৰিক মূল্যবোধ আৰু আইনৰ শাসনত দৃঢ়তাৰে শিপাই আছে। তেওঁ কয় যে দুয়োখন দেশৰ মাজৰ মিত্ৰতা পৰিস্থিতি অথবা সীমাৰ দ্বাৰা নিৰ্ধাৰিত নহয়, বৰঞ্চ সময়ৰ সোতত এই বন্ধুত্ব গঢ় লৈ উঠিছে। চাইপ্ৰাছৰ ৰাজধানী নিকোচিয়াত ৰাষ্ট্ৰপতি ভৱনত দেশখনৰ ৰাষ্ট্ৰপতি নিকোচ খ্ৰিষ্ট'ডৌলিদেচৰ সৈতে আজি প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত মিলিত হোৱাৰ পাছত সাংবাদিকৰ আগত শ্ৰীমোদীয়ে এইদৰে কয়। তেওঁ উল্লেখ কৰে যে, চাইপ্ৰাছৰ **ভিজন ২০৩৫** আৰু ভাৰতৰ **বিকশিত ভাৰত ২০৪৭** ৰ মাজত বহু সামঞ্জস্য আছে আৰু অহা ৫ বছৰত এই অংশীদাৰিত্বৰ ভৱিষ্যত গঢ় দিয়াৰ বাবে এটা ৰূপৰেখা প্ৰস্তুত কৰা হ'ব। তেওঁ লগতে কয়, যে দুয়োখন দেশে শীঘ্ৰে এখন গতিশীলতা বুজাবুজি চুক্তি স্বাক্ষৰ কৰাৰ বাবে সন্মত হৈছে। শ্ৰীমোদীয়ে অনাগত ইউৰোপীয় সংঘৰ সভাপতিত্বৰ বাবে চাইপ্ৰাছক শুভেচ্ছা জনোৱাৰ উপৰি ৰাষ্ট্ৰসংঘৰ সুৰক্ষা পৰিষদত ভাৰতৰ স্থায়ী সদস্য পদৰ বাবে দেশখনৰ নিৰন্তৰ সমৰ্থনক আদৰণি জনায়। পশ্চিম এছিয়া আৰু ইউৰোপৰ মাজৰ চলি থকা সংঘৰ্ষক লৈ উদ্বেগ প্ৰকাশ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে এয়া যুদ্ধৰ যুগ নহয়, ইয়াৰ পৰিৱৰ্তে তেওঁ আলোচনা, সমাধান আৰু স্থিৰতাৰ বাবে আহ্বান জনায়। দুয়োখন দেশে শান্তি আৰু সমৃদ্ধিৰ বাবে ভাৰত -মধ্যপ্ৰাচ্য -ইউৰোপ অৰ্থনৈতিক কৰিড'ৰৰ প্ৰয়োজনীয়তা সন্দৰ্ভত সন্মতি প্ৰকাশ কৰে। শ্ৰীমোদীয়ে সীমান্তৰ ইপাৰৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ যুঁজক সমৰ্থন আগবঢ়োৱাৰ বাবে চাইপ্ৰাছক ধন্যবাদ জনায়। তেওঁ সন্ত্ৰাসবাদ, মাদক দ্ৰব্য আৰু অস্ত্ৰ-শস্ত্ৰৰ সৰবৰাহৰ বিৰুদ্ধে দুয়োখন দেশৰ মাজত এটা তথ্য বিনিময় ব্যৱস্থা গঢ়ি তোলাৰ

পৰিকল্পনাৰ কথা ঘোষণা কৰে। দুয়োগৰাকী নেতাই প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত প্ৰতিৰক্ষা, সুৰক্ষা, প্ৰযুক্তি, স্বাস্থ্য সেৱা, পুনৰ নৱীকৰণযোগ্য শক্তি, জলবায়ু পৰিৱৰ্তন আদিকে ধৰি বিভিন্ন বিষয়ত আলোচনা কৰে। তেওঁলোকে লগতে মধ্যপ্ৰাচ্যৰ পৰিস্থিতি আৰু ইউক্ৰেইনৰ যুদ্ধকে ধৰি বিভিন্ন আন্তৰাষ্ট্ৰীয় সমস্যা সন্দৰ্ভতো আলোচনা কৰে।

ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আজি চাইপ্ৰাছৰ সৰ্বোচ্চ সন্মান **গ্ৰেণ্ড ক্ৰছ অব্ দা অৰ্ডাৰ অব মেকাৰিয়ছ থ্ৰীৰে** সন্মানিত কৰা হয়। নিক'চিয়াৰ ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা আড়ম্বৰপূৰ্ণ অনুষ্ঠানত শ্ৰী মোদীলৈ এই সন্মান আগবঢ়োৱা হয়। উল্লেখযোগ্য যে চাইপ্ৰাছৰ প্ৰথমগৰাকী ৰাষ্ট্ৰপতি আৰ্কবিছপ মেকাৰিয়ছ থ্ৰীৰ নামেৰে দেশখনে আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ বিশিষ্ট নেতৃবৰ্গলৈ তেওঁলোকৰ অসামান্য বৰঙণিৰ প্ৰতি স্বীকৃতি হিচাপে দেশখনে এই সন্মান আগবঢ়াই আহিছে।

ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীক চাইপ্ৰাছৰ নিকোচিয়াত অৱস্থিত ৰাষ্ট্ৰপতিৰ প্ৰাসাদত আজি আড়ম্বৰপূৰ্ণভাৱে আদৰণি জনোৱা হয়।

আমাৰ সংবাদদাতাই জনোৱা মতে, শ্ৰীমোদী আৰু চাইপ্ৰাছৰ ৰাষ্ট্ৰপতিয়ে নিক'ছিয়াৰ ঐতিহাসিক কেন্দ্ৰ পৰিদৰ্শন কৰে। ৰাষ্ট্ৰপতি ক্ৰিষ্ট'ডৌলিদেচে শ্ৰীমোদীক ১৯৭৪ চনৰ পৰা তুৰস্কৰ অধীনত থকা উত্তৰ চাইপ্ৰাছৰ পাৰ্বত্য অঞ্চলটোও দেখুৱায়।

ooooo

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আমাৰ দেশ দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত অতি সোনকালে বিশ্বনেতাৰূপে উজলি উঠিব বুলি মন্তব্য কৰিছে। আজি নতুন দিল্লীত আয়োজিত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ সাহায্য আয়ুক্ত আৰু দুৰ্যোগ সঁহাৰি বাহিনীসমূহৰ বাৰ্ষিক সন্মিলনত শ্ৰীশ্বাহে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে আগতীয়া সতৰ্কীকৰণ ব্যৱস্থাসমূহ বিকশাই তোলাৰ ক্ষেত্ৰত ভাৰতে উল্লেখযোগ্য সফলতা অৰ্জন কৰিছে। বতৰৰ সঠিক পূৰ্বানুমান আৰু আগতীয়া সতৰ্কীকৰণৰ জৰিয়তে অঞ্চলসমূহক সজাগ কৰি তোলাৰ লগতে সাহায্য আৰু উদ্ধাৰ অভিযানসমূহ সফলতাৰে সম্পন্ন কৰিব পৰা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে কয়, যে ভাৰতৰ দুৰ্যোগ সঁহাৰি সন্দৰ্ভত যদি কেতিয়াবা ইতিহাস ৰচনা কৰা হয়, তেনেহলে মোদী চৰকাৰৰ যোৱা দহোটা বছৰক ৰূপান্তৰৰ দশকৰূপে লিপিবদ্ধ কৰা হ'ব। দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত সামৰ্থ বৃদ্ধি, গতি, দক্ষতা আৰু শুদ্ধতা নিৰূপনৰ দিশসমূহত মোদী চৰকাৰে যোৱা দহ বছৰত বিভিন্ন মাইলৰ খুটি স্পৰ্শ কৰা বুলিও শ্ৰীশ্বাহে লগতে মন্তব্য কৰে। আজিৰ সন্মিলনত মন্ত্ৰীগৰাকীয়ে সাহায্য আয়ুক্তসকলক তেওঁলোকৰ নিজ নিজ ৰাজ্যৰ জিলাসমূহৰ বাবে অহা ৯০ দিনৰ ভিতৰত এখন জিলা দুৰ্যোগ ব্যৱস্থাপনা আঁচনি প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিয়ে।

ooooo

আহমেদাবাদৰ বিমান দুৰ্ঘটনাৰ তদন্তৰ বাবে গঠন কৰা উচ্চস্তৰীয় সমিতিৰ প্ৰথমখন বৈঠক আজি নতুন দিল্লীত অনুষ্ঠিত হয়। কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহনে এই বৈঠকত অধ্যক্ষতা কৰে। কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ৰ সচিব, গৃহ মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়াবৰ্গ, গুজৰাটৰ গৃহ বিভাগ আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি প্ৰাধিকৰণৰ বিষয়াবৰ্গ, আহমেদাবাদৰ আৰক্ষী আয়ুক্ত, বায়ু সেনাৰ পৰিদৰ্শন আৰু সুৰক্ষা বিভাগৰ সঞ্চালক প্ৰধান আৰু অসামৰিক বিমান পৰিবহণ নিৰাপত্তা ব্যুৰ'ৰ সঞ্চালক প্ৰধানে এই উচ্চস্তৰীয় বৈঠকত অংশগ্ৰহণ কৰে। সমিতিখনে ৩ মাহৰ ভিতৰত তেওঁলোকৰ প্ৰতিবেদন দাখিল কৰিব। এই অনুসন্ধানৰ জৰিয়তে ভৱিষ্যতে এনেধৰণৰ দুৰ্ঘটনাৰ পুনৰাবৃত্তি নঘটাৰ বিষয়ত গুৰুত্ব আৰোপ কৰি মানসম্পন্ন পৰিচালন ব্যৱস্থা যুগুতোৱাৰ বিষয়ত গুৰুত্ব

আৰোপ কৰিব বুলি আশা কৰা হৈছে। তদুপৰি এই বিমান দুৰ্ঘটনাৰ যান্ত্ৰিক বিজুতি ধৰা পেলোৱাৰ বাবে বিমান দুৰ্ঘটনা তদন্ত ব্যুৰোই পৃথকে তদন্ত চলাই আছে।

উল্লেখযোগ্য যে, বৰ্তমানলৈকে এই দুৰ্ঘটনাত মৃত্যু হোৱা ৯৯ জন লোকৰ ডি এন এৰ নমুনাৰ মিল পোৱা গৈছে। ৬৪ টা মৃতদেহ পৰিয়ালৰ লোকক গতাই দিয়া হৈছে। আহমেদাবাদ অসামৰিক চিকিৎসালয়ৰ অধ্যক্ষ ডাঃ ৰাকেশ যোশীয়ে প্ৰকাশ কৰা মতে, অহা দুই এদিনৰ ভিতৰতে ডি এন এৰ নমুনা মিলাই চোৱাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব। ইপিনে, এই বিমান দুৰ্ঘটনাত মৃত্যু হোৱা গুজৰাটৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিজয় ৰূপানিৰ অন্তেষ্টিক্ৰিয়া আজি সন্ধিয়া ৰাজকোটত সম্পূৰ্ণ ৰাজ্যিক মৰ্যদাৰে সম্পন্ন কৰা হ'ব। ৰাজ্যখনত আজি প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ মৃত্যুত এদিনীয়া শোক পালন কৰা হয়।

ooooo

ইজৰাইলে তেহৰানত চলোৱা বিমান আক্ৰমনত ইছলামিক ৰিভ'ল্যুছনেৰী গাৰ্ড কৰ্পছ চোৰাংচোৱা সংস্থাৰ মুৰববীকে ধৰি সংস্থাটোৰ ৪ জন জ্যেষ্ঠ বিষয়াৰ মৃত্যু হৈছে বুলি দাবী কৰিছে। ইজৰাইল প্ৰতিৰক্ষা বাহিনীয়ে প্ৰকাশ কৰা মতে, যোৱা নিশা ইজৰাইলে এটা ভৱনক লক্ষ্য কৰি আক্ৰমন চলাইছিল, য'ত ইৰানৰ চোৰাংচোৱা সংস্থাৰ নেতাসকলে বৈঠকত মিলিত হৈছিল। নিহতসকলৰ ভিতৰত সংস্থাটোৰ মুৰববী মহম্মদ খাটামী আৰু অন্যান্য জ্যেষ্ঠ বিষয়া আছে বুলি ইজৰাইলে দাবী কৰিছে। এই বিষয়াসকলে হিজবুল্লা, হামাচ আৰু হুথি সন্ত্ৰাসবাদী গোটৰ সৈতে ইজৰাইলৰ বিৰুদ্ধে অভিযান চলাইছিল বুলি দেশখনৰ প্ৰতিৰক্ষা বাহিনীয়ে উল্লেখ কৰিছে।

ooooo

দিল্লী আৰক্ষীয়ে ভাৰতত অবৈধভাৱে বাস কৰা ৩৬ জন বাংলাদেশী নাগৰিকক গ্ৰেপ্তাৰ কৰিছে। দিল্লীৰ উত্তৰ পশ্চিম জিলাৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা এই বাংলাদেশী নাগৰিকসকলৰ ভিতৰত ১৯ জন প্ৰাপ্তবয়স্ক লোক আৰু ১৭ টি শিশু আছে। ৰাষ্ট্ৰীয় ৰাজধানীখনত অবৈধভাৱে বাস কৰা এই লোকসকলৰ বিৰুদ্ধে এটা বিশেষ অভিযান চলোৱা হয় বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। এই লোকসকলে কোনো বৈধ ভিছা, অনুমতি পত্ৰ অথবা যাত্ৰাৰ নথি অবিহনে ৰাজধানী চহৰখনত বাস কৰি আহিছে। অভিযানৰ সময়ত আৰক্ষীয়ে ১৩ জন লোকৰ পৰা পৰিচয়পত্ৰ উদ্ধাৰ কৰে।

ooooo

কৰ্ণাটকৰ কংগ্ৰেছ চৰকাৰে ৰাজ্যখনত পুনৰ জাতিগত লোকপিয়ল কৰাৰ সিদ্ধান্তক লৈ বিজেপিয়ে চৰকাৰখনক সমালোচনা কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ আগত বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ভূপেন্দৰ যাদৱে কংগ্ৰেছৰ বাবে অন্যান্য পিছপৰা শ্ৰেণীৰ লোকসকল কেৱল এটা ভোটবেংক বুলি অভিযোগ কৰে। ৰাজ্যখনত পূৰ্বে জাতিগত লোকপিয়লৰ বাবে ১৬৫ কোটি টকা ব্যয় কৰা হৈছিল বুলি উল্লেখ কৰি শ্ৰীযাদৱে চৰকাৰৰ পুঁজিৰ অপব্যৱহাৰৰ বাবে কোন দায়ী বুলি প্ৰশ্ন কৰে। শ্ৰীযাদৱে কংগ্ৰেছে সদায়ে অন্যান্য পিছপৰা শ্ৰেণীক বিশ্বাসঘাটকতা কৰি আহিছে বুলিও অভিযোগ তোলে।

ooooo

আন্তৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদে আজি ২০২৫ বৰ্ষৰ আই চি চি মহিলা এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ সম্পূৰ্ণ সূচী ঘোষণা কৰিছে। এইবাৰৰ প্ৰতিযোগিতা অহা ৩০ চেপ্তেম্বৰৰ পৰা ২ নৱেম্বৰলৈ ভাৰত আৰু শ্ৰীলংকাত অনুষ্ঠিত হ'ব। ভাৰত এইবাৰৰ বিশ্বকাপ প্ৰতিযোগিতাৰ আনুষ্ঠানিক আয়োজক যদিও ভাৰত আৰু পাকিস্তানৰ মাজত

চলি থকা ৰাজনৈতিক অস্থিৰতাৰ পৰিপ্ৰেক্ষিতত পাকিস্তানৰ দলটোৱে খেলিবলগীয়া খেলসমূহ শ্ৰীলংকাত আয়োজিত হ'ব। উল্লেখযোগ্য যে ২০১৩ চনৰ পৰা এইবাৰ ভাৰতে চতুৰ্থবাৰৰ বাবে মহিলাৰ এদিনীয়া ক্ৰিকেট বিশ্বকাপ প্ৰতিযোগিতাৰ আয়োজকৰ দায়িত্ব পালন কৰিব। অহা ৩০ চেপ্তেম্বৰত বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত ভাৰতে-শ্ৰীলংকাৰ বিৰুদ্ধে খেলি নিজৰ অভিযান আৰম্ভ কৰিব। ক্ৰিকেট অনুৰাগীসকলে বহু উৎকণ্ঠাৰে বাট চাই থকা  ভাৰত-পাকিস্তানৰ মাজৰ খেলখন কলম্বোৰ আৰ প্ৰেমদাসা ষ্টেডিয়ামত ৫ অক্টোবৰত অনুষ্ঠিত হ'ব। এইবাৰৰ প্ৰতিযোগিতাত ভাৰত, অষ্ট্ৰেলিয়া, ইংলেণ্ড, দক্ষিণ আফ্ৰিকা, নিউজিলেণ্ড, শ্ৰীলংকা, বাংলাদেশ আৰু পাকিস্তানে অংশ ল'ব।

০০০০০

সমাপ্ত